**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-10-2026
**Time :** 2125 PM

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

০০০০০০০

ৰাজ্যিক মন্ত্ৰীসভাই অসমত স্থায়ীভাৱে বসবাস কৰা প্ৰাক্তন অগ্নিবীৰসকলৰ বাবে অসম আৰক্ষী, এ পি আৰ অ', এছ্ ডি আৰ এফ, অগ্নিনিৰ্বাপন আৰু জৰুৰীকালীন সেৱা, বন সুৰক্ষা বাহিনী তথা আবকাৰি বিভাগৰ ১১টা শ্ৰেণীৰ পদত নিযুক্তিৰ ক্ষেত্ৰত ১২ শতাংশ সংৰক্ষণত অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে উল্লেখ কৰে। মন্ত্ৰীসভাই লগতে ৰাষ্ট্ৰীয় ঘাইপথ শাখাত এগৰাকী অতিৰিক্ত আয়ুক্ত নিযুক্তিৰ সিদ্ধান্ত লয়। পূৰ্বে লোকনিৰ্মাণ বিভাগত থকা ৰাষ্ট্ৰীয় ঘাইপথ আৰু ভৱন বিভাগকক পৃথক কৰি ৰাষ্ট্ৰীয় ঘাইপথ শাখাৰ কাম চোৱাচিতাৰ বাবে অতিৰিক্ত আয়ুক্ত নিযুক্তিৰ সিদ্ধান্ত লোৱা হৈছে।

জল জীৱন মিছনৰ আঁচনিসমূহৰ ৰূপায়ণৰ বাবে মন্ত্ৰীসভাই আজি বিটিচি, কাৰ্বি আংলং আৰু ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ সৈতে বুজাবুজিৰ চুক্তিৰ তিনিখন খচৰা প্ৰস্তুত কৰে। ৰাজ্যিক মন্ত্ৰীসভাই মধুপুৰ সত্ৰলৈ মাহিলী এক লাখ টকাকৈ প্ৰদান আৰু আছাম ৰেজিমেণ্টৰ আন্তঃগাঁথনিৰ বাবে ১০ কোটি টকা প্ৰদানত অনুমোদন জনায়।

বাইট

তদুপৰি মন্ত্ৰীসভাৰ বৈঠকত আজি পুৰণি বাহন ক্ৰয়-বিক্ৰয়ত অনুমোদন জনোৱা হয়। এই অনুসৰি ৩ বছৰ পুৰণি বাহনত গ্ৰীন চেজ দিব লাগিব। ইয়াৰ পৰিৱৰ্তে ইলেকট্ৰনিক আৰু চি এন জি বাহনত গ্ৰীন চেজ দিব নালাগে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মন্ত্ৰীসভাই নীলাচল পাহাৰৰ সমীপৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰলৈ উন্নয়ন প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ বিশদ প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ টাটা কনচাল্টিং ইঞ্জিনীয়াৰ্ছ লিমিটেডক নিয়োগ কৰাত অনুমোদন জনাইছে। তদুপৰি পৌৰ নিগমৰ নিৰ্বাচন সম্পৰ্কীয় বিষয়সমূহত সংশ্লিষ্ট জিলা ন্যায়াধীশৰ আদালতক ক্ষমতা অৰ্পণ কৰাৰ বাবে অসম পৌৰ নিগম নিৰ্বাচন বিধি ২০২৬তো মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিছে। শাসকীয় বিজেপি আৰু বিৰোধী ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভা সমদল অনুষ্ঠিত কৰি আজি অন্তিম দিনা প্ৰচাৰ অভিযান চলায়। মন্ত্ৰী পীযুষ হাজৰিকাই আজি লাহৰিঘাট বিধানসভা সমষ্টিৰ ভুৰাগাঁও মণ্ডলৰ উদ্যোগত আয়োজিত এখন নিৰ্বাচনী সভাত অংশ লৈ ৰাইজৰ সৈতে মত বিনিময় কৰে। সামৰণি দিনটোত আজি বিজেপিয়ে দুহেজাৰ ৩০৯টা বুথত পদযাত্ৰা কৰাৰ লক্ষ্য লয়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ৰহাত নিৰ্বাচনী পদযাত্ৰাত অংশ লৈ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাৰ সমৰ্থনত লাহৰিঘাটত প্ৰচাৰ অভিযান চলায়।

০০০০০০০

দেশজুৰি চলি থকা সেৱা সংকল্প অভিযানৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন ঠাইত **অংগন মিলন সেৱা** শীৰ্ষক বিশেষ পৰিপুষ্টি কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। বজালী জিলাৰ ৩২৪টা অংগনবাড়ী কেন্দ্ৰত আজি এই কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ জৰিয়তে অংগনবাড়ী কৰ্মী, সহায়িকা, অভিভাৱক তথা সংশ্লিষ্ট লোকসকলৰ মাজত মাতৃ আৰু শিশুৰ স্বাস্থ্য, পৰিপুষ্টি, শিক্ষা আৰু সামগ্ৰিক বিকাশ সন্দৰ্ভত সজাগতা সৃষ্টি কৰা হয়। বজালী জিলাৰ কেইবাগৰাকীও প্ৰশাসনিক বিষয়াৰ লগতে স্থানীয় সমাজ কৰ্মীসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

মাজুলী সংহত শিশু উন্নয়ন প্ৰকল্পৰ সহযোগত আজি মধুপুৰ মিচিং আদৰ্শ অংগনবাড়ী কেন্দ্ৰত অংগন মিলন সেৱা অনুষ্ঠিত হয়। এই অনুষ্ঠানত মাজুলীৰ বিধায়ক ভূবন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক উপস্থিত থাকে।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পৰৱৰ্তী দুবছৰীয়া কাৰ্যকালৰ বাবে পদাধিকাৰ পদৰ প্ৰাৰ্থীসকলৰ নাম আজি ঘোষণা কৰা হয়। সংঘৰ পদাধিকাৰ নিৰ্বাচনৰ বাবে আজি নগাঁৱৰ কলংপাৰত থকা মুখ্য কাৰ্যালয়ত অনুষ্ঠিত মূল কাৰ্যনিৰ্বাহক সভাই চন্দ্ৰ হাজৰিকা, বীৰেন বৰা আৰু প্ৰফুল্ল চন্দ্ৰ বৰাক প্ৰাৰ্থী হিচাপে বাছনি কৰে। অহা ডিচেম্বৰৰ ২৫ তাৰিখৰ পৰা ৩১ তাৰিখৰ ভিতৰত পদাধিকাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

সদৌ অসম মটক মহিলা পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আজি জিলাখনৰ কপৌটিঙত কৃষিভিত্তিক নাঙল ধোৱা পিঠা খোৱা উৎসৱ পালন কৰা হয়। সময়ৰ বুকুত হেৰাই যাবলৈ থৰা এই কৃষিভিত্তিক পৰম্পৰা পুনৰুজ্জীৱিত কৰাৰ উদ্দেশ্যে পুৱাৰে পৰা পুৰুষ-মহিলাসকলে নাঙল ধোৱা পিঠা খোৱা উৎসৱ পালন কৰে। পথাৰত খেতি সামৰি কৃষিজীৱি ৰাইজে তৰাপাত বা কলপাতত প্ৰস্তুত কৰা পিঠা সকলোকে পৰিৱেশন কৰা হয়।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ